Total No. of Printed Pages—4

## 5 SEM TDC DSE ASM (CBCS) 1 (B) (H)

**2023**

( November )

ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–1 (B)

**( ভাৰতীয় সাহিত্যৰ পৰিচয় )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×১০=১০

(ক) 'ভাৰতীয় সাহিত্য' শীৰ্ষক প্ৰবন্ধ প্ৰকাশ হোৱা শ্ৰীঅৰবিন্দৰ আলোচনীখনৰ নাম লিখাঁ।

(খ) ইণ্ডিয়ান প্ৰগ্ৰেচিভ ৰাইটাৰ্ছ এছ'ছিয়েচন কোন চনত স্থাপিত হৈছিল?

(গ) জীবনানন্দ দাশৰ এখন কাব্যগ্ৰন্থৰ নাম লিখাঁ।

(ঘ) 'কবিতাৰ মাধুকৰী' গ্ৰন্থখনৰ সম্পাদনা কোনে কৰিছে?

(ঙ) 'শান্তি' গল্পৰ গল্পকাৰ কোন?

(চ) 'এটি কলি দুটি পাত' উপন্যাসখনৰ মূল ইংৰাজী নাম লিখাঁ।

(ছ) খুৰী আইতাক ভালপোৱা নাতিনীজনীৰ নাম কি?

(জ) হোচিয়াৰপুৰৰ পৰা গংগুৱ পৰিয়ালটোক অসমলৈ লৈ অহা মেক্‌ফাৰছন চাহ বাগিচাৰ চৰ্দাৰজনৰ নাম কি?

(ঝ) 'হানুছ' নাটকখনৰ অসমীয়া অনুবাদক কোন?

(ঞ) তোমাৰ পাঠ্য 'কাঠৰ ঘণ্টাবোৰ' কবিতাটোৰ মূল হিন্দী নামটো লিখাঁ।

২। (ক) 'ভাৰতীয় সাহিত্য' পদটো প্ৰথম কোনে ব্যৱহাৰ কৰিছিল? ভাৰতীয় সাহিত্যৰ ধাৰণা আৰু বিকাশৰ দিশসমূহ খৰচি মাৰি আলোচনা কৰাঁ। ১+১৩=১৪

*অথবা*

(খ) চি. পি. ভাটনাগৰে আগবঢ়োৱা মন্তব্যৰ ভিত্তিত ভাৰতীয় সাহিত্যৰ স্বৰূপ সম্পৰ্কে ব্যাখ্যা কৰাঁ। ১৪

৩। (ক) " 'বনলতা সেন'—প্ৰেম, সপোন আৰু বিষাদ-স্মৃতিৰ প্ৰতীক।" কথাষাৰৰ আঁতধৰি কবিতাটোত প্ৰকাশ পোৱা ইতিহাস-আশ্ৰিত প্ৰেমৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ। ১৪





*অথবা*

(খ) কবি পৰিচয়সহ 'অশ্বাৰোহী' কবিতাটোত প্ৰকাশ পোৱা মানৱ জীৱনৰ দুখ-দুৰ্দশাৰ ছবিখনৰ বিষয়ে আলোচনা কৰাঁ। ৬+৮=১৪

৪। (ক) গল্পকাৰৰ চমু পৰিচয় দাঙি ধৰি 'খুৰী আইতা' গল্পটোত প্ৰকাশ পোৱা দুখলগা প্ৰতিচ্ছবি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৭+৮=১৫

*অথবা*

(খ) 'হাতী আৰু হাৰিকেন লেম্প' গল্পটোত প্ৰতিফলন ঘটা হাতী আৰু মানুহৰ সংঘাতৰ ছবিখনৰ বিষয়ে বিৰৰি লিখাঁ। লগতে গল্পকাৰৰ চমু পৰিচয় দাঙি ধৰিবাঁ। ৮+৭=১৫

৫। (ক) 'এটি কলি দুটি পাত' উপন্যাসত গংগুৱ দুৰ্দশাগ্ৰস্ত জীৱনৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) 'এটি কলি দুটি পাত' উপন্যাসৰ কাহিনীভাগ চমুকৈ দাঙি ধৰি, ডাঃ জন ডি. লা. হাৰ্ভে চৰিত্ৰটোৰ বিষয়ে আলোচনা কৰাঁ।

৬। (ক) 'হানুছ' নাটকৰ কাহিনীত হানুছে ঘড়ীটো নিৰ্মাণ কৰিবলৈ লৈ সন্মুখীন হোৱা সমস্যাসমূহ আৰু নিৰ্মাণ কৰাৰ পিছত কেনে অৱস্থাৰ সন্মুখীন হ'ল, বিশদভাৱে আলোচনা দাঙি ধৰাঁ। ১২

অথবা

(খ) চমুকৈ আলোচনা কৰাঁ (যি কোনো দুটা) : ৬×২=১২

(১) 'হানুছ' নাটকৰ চৰিত্ৰ-চিত্ৰণ

(২) 'হানুছ' নাটকত শিল্পীসত্তাৰ সংকট

(৩) নাট্যকাৰ ভীষ্ম চাহনী

★★★